रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRAORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 22 ] NEW DELHI, TUESDAY, NOVEMBER 5, 2019 / 14 KARTIKA, 1941 (Saka) [ VOL : 18**
নং ২২ ] নতুন দিল্লী, মঙ্গলবাৰ, নৱেম্বৰ ৫, ২০১৯ / ১৪ কাতি, ১৯৪১ (শক) [খণ্ড ঃ ১৮

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণ অধিনিয়ম, ২০১০ (২০১০ ৰ ৩১)

৩১ আগষ্ট, ২০১০ তাৰিখে যথাবিদ্যমান

# ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণ অধিনিয়ম, ২০১০

## ধাৰাসমূহৰ ক্ৰম

### অধ্যায়—১

### প্ৰাৰম্ভিক


| ধাৰাসমূহ ঃ | | পৃষ্ঠা |
|---|---|---|
| ১। | সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ | ১ |
| ২। | পৰিভাষা | ২ |


### অধ্যায়—২

### ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণ


| | | |
|---|---|---|
| ৩। | প্ৰাধিকৰণৰ গঠন | ২ |
| ৪। | সদস্য পদৰ বাবে অনৰ্হতা | ৩ |
| ৫। | সদস্যসমূহৰ পদাৱধি আৰু সেৱাৰ চৰ্ত্তাৱলী | ৩ |
| ৬। | সদস্যসমূহৰ পদৰ ৰিক্তি | ৩ |
| ৭। | পুনৰ নিযুক্তিৰ বাবে সদস্যৰ যোগ্যতা | ৪ |
| ৮। | সভাসমূহ | ৪ |
| ৯। | পদৰিক্তি ইত্যাদিৰে প্ৰাধিকৰণৰ কাৰ্য্যাবাহী অবিধিমান্য নকৰিব | ৪ |
| ১০। | প্ৰাধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ | ৪ |


### অধ্যায়—৩

### প্ৰাধিকৰণৰ কৃত্য


| | | |
|---|---|---|
| ১১। | প্ৰাধিকৰণৰ কৃত্য | ৫ |
| ১২। | আন এজেঞ্চীসমূহৰ দায়িত্ব আৰু ক্ষমতাসমূহ | ৬ |


### অধ্যায়—৪

### সম্পত্তি আৰু সংবিদা


| | | |
|---|---|---|
| ১৩। | সম্পত্তি আৰু দায়িত্ব প্ৰাধিকৰণত ন্যস্ত হ'ব | ৭ |
| ১৪। | প্ৰাধিকৰণত উপক্ৰমৰ ন্যস্তকৰণৰ সাধাৰণ প্ৰভাৱ | ৭ |
| ১৫। | প্ৰত্যাভুতি প্ৰৱৰ্তনীয় হ'ব | ৭ |
| ১৬। | প্ৰাধিকৰণৰ বাবে ভূমিৰ বাধ্যতামূলক অধিগ্ৰহণ | ৭ |
| ১৭। | প্ৰাধিকৰণৰ দ্বাৰা কৰা সংবিদা | ৮ |
| ১৮। | প্ৰাধিকৰণৰ হ'কে সংবিদা নিস্পাদনৰ প্ৰক্ৰম | ৮ |

## অধ্যায়—৫

## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা


১৯। প্ৰাধিকৰণৰ মাচুল, ভাড়া, ইত্যাদি আৰোপৰ ক্ষমতা ৮

২০। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰাধিকৰণলৈ দিয়া অতিৰিক্ত মূলধন আৰু মঞ্জুৰী ৮

২১। প্ৰাধিকৰণৰ নিধি আৰু ইয়াৰ বিনিয়োগ ৯

২২। ৰাহি নিধিৰ আবণ্টন ৯

২৩। কাৰ্য্য কৰ্মসূচী আৰু বিত্তীয় প্ৰাক্‌কলনৰ উপস্থাপন ১০

২৪। প্ৰাধিকৰণৰ ধাৰ লোৱাৰ ক্ষমতা ১০

২৫। হিচাপ আৰু হিচাপ পৰীক্ষা। ১০


## অধ্যায়—৬

## বিবিধ


২৬। বাৰ্ষিক প্ৰতিবেদনৰ দাখিলকৰণ ১১

২৭। আৰোপণ ১১

২৮। প্ৰাধিকৰণৰ আদেশ আৰু আন লেখ্যসমূহৰ অধিপ্ৰমাণীকৰণ ১১

২৯। প্ৰাধিকৰণৰ পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ লোক সেৱক হ'ব ১১

৩০। সদ্‌ বিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ সুৰক্ষা ১১

৩১। হেৰুওৱা সম্পত্তি অভিৰক্ষা আৰু নিষ্পত্তিকৰণ ১১

৩২। কেন্দ্ৰীয় চৰকাৰৰ, প্ৰাধিকৰণক অধিক্ৰম কৰাৰ ক্ষমতা থাকিব ১১

৩৩। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা জাৰি কৰাৰ ক্ষমতা ১৩

৩৪। নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা ১৩

৩৫। বিনিয়মাৱলী প্ৰণয়নৰ ক্ষমতা ১৩

৩৬। নিয়ম, বিনিময় আৰু অধিসূচনাসমূহ সংসদত উত্থাপিত হ'ব ১৪

৩৭। জটিলতা দূৰীকৰণৰ ক্ষমতা। ১৪

# ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণ অধিনিয়ম, ২০১০

## ২০১০ৰ সংখ্যা ৩১

[৩১ আগষ্ট ২০১০ তাৰিখে যথা বিদ্যমান]

সুৰক্ষা আজ্ঞাপন নিবেদন কৰা ব্যৱস্থাসমূহক যথাস্থানত ৰাখিবলৈ ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণৰ স্থাপনৰ বাবে আৰু ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰ কাষত এটা অভিহিত স্থানত যাত্ৰী আৰু মালবস্তুৰ যাতায়তৰ সীমা অতিক্ৰমৰ বাবে সুবিধাসমূহৰ উন্নয়ন আৰু ব্যৱস্থাপনৰ বাবে আৰু ইয়াৰ সৈতে জড়িত বা ইয়াৰ আনুযংগিক বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ইয়াক, ভাৰত গণৰাজ্যৰ এষষ্টিতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হওঁক ঃ—

## অধ্যায়—১
## প্ৰাৰম্ভিক

*সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ।* ১। (১) এই অধিনিয়মখন, ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণ অধিনিয়ম, ২০১০ বুলি অভিহিত হ'ব।

(২) এইখন এনে তাৰিখত বলৱৎ হ'ব যিদৰে কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে আৰু এই অধিনিয়মৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰে আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণত এনে কোনো উপবন্ধত থকা কোনো প্ৰসংগ নিৰ্দেশক, সেই উপবন্ধৰ বলৱৎৰ এটা প্ৰসংগ নিৰ্দেশ ৰূপে অৰ্থ হ'ব।

*পৰিভাষা* ২। এই অধিনিয়মত, প্ৰসংগত অন্যথা অপেক্ষিত নহ'লে—

(ক) "প্ৰাধিকৰণ" মানে ধাৰা ৩ ৰ অধীনত গঠিত ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণ ;

(খ) "অধ্যক্ষ" মানে ধাৰা ৩ ৰ উপধাৰা (৩)ৰ খণ্ড (ক)ৰ অধীনত নিয়োজিত প্ৰাধিকৰণৰ অধ্যক্ষ ;

*১৯৪৬ ৰ ৩১* (গ) "আপ্ৰৱাস পৰীক্ষা চকী" মানে বিদেশী অধিনিয়ম, ১৯৪৬ ৰ অধীনত অধিসূচিত কৰা দৰে কোনো বন্দৰ বা ভূমিত প্ৰস্থানৰ স্থান ;

(ঘ) "একীকৃত নিৰীক্ষণ চকী" মানে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত বিনিৰ্দিষ্ট কৰা দৰে কোনো বন্দৰ ;

*১৯৬২ ৰ ৫২* (ঙ) "ভূমি সীমা শুল্ক ষ্টেচন" মানে ভূমি বা আন্তৰ্দেশীয় জলৰ দ্বাৰা আমদানি বা ৰপ্তানি হ'বলগীয়া সামগ্ৰীসমূহৰ যাত্ৰানুমতিৰ বাবে সীমা শুল্ক অধিনিয়ম, ১৯৬২ ৰ ধাৰা ৭ৰ উপধাৰা (১)ৰ খণ্ড (খ)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এনেদৰে অধিসূচিত কোনো স্থান ;

*১৯৬২ ৰ ৫২* (চ) "ভূমি বন্দৰ" মানে সীমা শুল্ক অধিনিয়ম, ১৯৬২ বা বিদেশী অধিনিয়ম, ১৯৪৬ৰ

অধীনত ভূমি সীমাশুল্ক ষ্টেচন বা আপ্ৰৱাস পৰীক্ষণ চকী ৰূপে অধিসূচিত ৰাষ্ট্ৰীয় ঘাইপথ, ৰাজ্যিক ঘাইপথ আৰু আন পথৰ অংশক অন্তৰ্ভুক্ত কৰি ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় সীমাত থকা এটা অঞ্চল আৰু ই ভাৰতৰ সীমা অতিক্ৰম কৰা যাত্ৰী আৰু সামগ্ৰীসমূহৰ যাত্ৰানুমতি আৰু পৰিবহনৰ বাবে সুবিধাসহ ৰে'ল অন্তৰ্ভুক্ত কৰে ;

(ছ) "অধিসূচনা" মানে চৰকাৰ ৰাজপত্ৰত প্ৰকাশিত কোনো অধিসূচনা ;

(জ) "বিহিত" মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত বুজায় ;

(ঝ) "বিনিয়ম" মানে এই অধিনিয়মৰ অধীনত প্ৰাধিকৰণৰ দ্বাৰা প্ৰণিত বিনিয়ম।

## অধ্যায়—২
## ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণ

*প্ৰাধিকৰণৰ গঠন*

৩। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণ ৰূপে জ্ঞাত হোৱা এটা প্ৰাধিকৰণ গঠন কৰিব।

(২) প্ৰাধিকৰণ, অস্থাৱৰ আৰু স্থাৱৰ উভয় সম্পত্তিৰ অৰ্জন, ধাৰণ আৰু নিষ্পত্তি কৰিবলৈ আৰু সংবিদা কৰিবলৈ, এই অধিনিয়মৰ উপাৱন্ধাৱলীৰ সাপেক্ষে, ক্ষমতাসহ, শ্বাশ্বত উত্তৰাধিকাৰী আৰু এটা সাধাৰণ মোহৰ থকা উপৰোক্ত নামেৰে এটা নিগমিত নিকায় হ'ব আৰু উক্ত নামৰ দ্বাৰা বাদ কৰিব আৰু বাদযুক্ত হ'ব।

(৩) প্ৰাধিকৰণ নিম্নলিখিতৰে গঠিত হ'ব—

(ক) এজন অধ্যক্ষ ;

(খ) দুজন সদস্য, যাৰ ভিতৰত এজন সদস্য (পৰিকল্পনা আৰু উন্নয়ন) আৰু আনজন (বিত্তীয়) সদস্য হ'ব ;

(গ) গৃহ বৈদেশিক পৰিক্ৰমা, ৰাজহ, বাণিজ্য, পথ পৰিবহন আৰু ঘাইপথ, ৰে'লৱে, প্ৰতিৰক্ষা, কৃষি আৰু নিগম, বিধি আৰু ন্যায়ৰ সৈতে সংব্যৱহৃত ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগসমূহক প্ৰতিনিধিত্ব কৰা ভাৰত চৰকাৰৰ যুটীয়া সচিবৰ পদমৰ্য্যাদাৰ নিম্নতৰ নোহোৱা পদাধিকাৰীসমূহৰ মাজৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োজিত হোৱা পদেন নজনৰ অনধিক সদস্য ;

(ঘ) মুখ্য সচিব বা ভিন ভিন ৰাজ্যৰ চৰকাৰৰ সচিবৰ পদমৰ্যাদাৰ নিম্নতৰ নোহোৱা তেওঁৰ মনোনীত ব্যক্তি য'ত একীকৃত পৰীক্ষণ চকী অৱস্থিত হয় ;

(ঙ) দুজন প্ৰতিনিধি যাৰ ভিতৰত এজন কৰ্মীবৃন্দৰ স্বীকৃত নিকায়ৰ পৰা হ'ব আৰু আনজন কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োজিত বণিকৰ পৰা হ'ব ; আৰু

(চ) এনে আন প্ৰতিনিধিসমূহ যাক কেন্দ্ৰীয় চৰকাৰে, কাৰ্য্যমূলক প্ৰয়োজনৰ বাবে মনোনীত কৰিব পাৰে।

**ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণ অধিনিয়ম, ২০১০**

(৪) খণ্ড (খ)ত নিৰ্দেশিত অধ্যক্ষ আৰু সদস্যসমূহ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োজিত হ'ব আৰু পূৰ্ণকালীন সদস্য হ'ব।

(৫) অধ্যক্ষজনক সুৰক্ষা, পৰিবহন, ঔদ্যোগিক, বাণিজ্যিক, বিধি, বিত্ত বা লোক প্ৰশাসনৰ ক্ষেত্ৰত বিশেষ জ্ঞান আৰু অভিজ্ঞতা থকা ব্যক্তিসকলৰ মাজৰ পৰা বাছনি কৰা হ'ব।

*সদস্য পদৰ বাবে অনৰ্হতা।*

৪। এজন ব্যক্তি এজন সদস্য ৰূপে নিয়োজিত হোৱাৰ বাবে অনৰ্হ হ'ব, যদি তেওঁ——

(ক) কোনো অপৰাধৰ বাবে অভিযুক্ত হয় আৰু কাৰাবাসেৰে দণ্ডাদেশিত হয়, যিটো কেন্দ্ৰীয় চৰকাৰৰ মতত নৈতিক ভ্ৰষ্টতাত লিপ্ত হয় ; বা

(খ) অনুমুক্ত দেউলীয়া হয় ; বা

(গ) বিকৃত মস্তিষ্কৰ হয় আৰু এখন সমুচিত ন্যায়ালয়ৰ দ্বাৰা এনে ঘোষণা বিদ্যমান হয় ; বা

(ঘ) চৰকাৰ বা চৰকাৰৰ স্বামীত্বাধীন বা নিয়ন্ত্ৰিত এটা নিগমিত নিকায়ৰ সেৱাৰ পৰা অপসাৰণ বা বৰ্খাস্ত কৰা হৈছে ; বা

(ঙ) কেন্দ্ৰীয় চৰকাৰৰ মতত প্ৰাধিকৰণত এনে বিত্তীয় বা আন স্বাৰ্থৰ থাকে যিটোৱে, এজন সদস্য ৰূপে তেওঁৰ কৃত্যসমূহৰ দ্বাৰা নিৰ্বহনত প্ৰতিকূল প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা থাকে।

*সদস্যসমূহৰ পদাৱধি আৰু সেৱাৰ চৰ্তাৱলী।*

৫। (১) ধাৰা ৫ৰ উপাবন্ধাৱলীৰ সাপেক্ষে, প্ৰত্যেক পূৰ্ণকালীন সদস্য এনে তাৰিখৰ পৰা পাঁচ বছৰৰ এটা কালৰ বাবে পদ ধাৰণ কৰিব যি তাৰিখত তেওঁ পদ গ্ৰহণ কৰে বা তেওঁ ষাঠি বছৰ বয়স প্ৰাপ্তি নকৰা পৰ্যন্ত, যিটোৱেই আগতেই হয় ঃ—

পৰন্তু কেন্দ্ৰীয় চৰকাৰে—

(ক) তেওঁক, তিনিমাহতকৈ কম নোহোৱা এটা কালৰ জাননী দিয়াৰ পিছত বা ইয়াৰ পৰিৱৰ্তে তিনি মাহৰ এটা কালৰ বাবে তেওঁৰ বেতন আৰু ভাত্তাৰ এটা সম ধনৰাশিৰ আদায়ত, যদি কিবা থাকে, কোনো পূৰ্ণকালীন সদস্যৰ নিযুক্তিৰ অৱসান ঘটাব পাৰে ;

(খ) যিকোনো সময়ত কোনো সদস্যৰ নিযুক্তিৰ অৱসান ঘটাব পাৰে যি, চৰকাৰৰ এজন সেৱক হয়।

(২) সদস্যসমূহৰ সেৱাৰ আন চৰ্তাৱলী বিহিত কৰা দৰে এনে হ'ব।

(৩) কোনো সদস্যই, কেন্দ্ৰীয় চৰকাৰলৈ বিহিত কৰা দৰে এনে কালৰ বাবে লিখিতভাৱে জাননী দি তেওঁ পদ ত্যাগ কৰিব পাৰে আৰু সেই চৰকাৰৰ দ্বাৰা চৰকাৰী ৰাজপত্ৰত অধিসূচিত হোৱা এনে পদত্যাগত, এনে সদস্যক তেওঁৰ পদৰিক্ত কৰা বুলি গণ্য কৰা হ'ব।

*সদস্যসমূহৰ পদৰ ৰিক্তি।*

৬। কেন্দ্ৰীয় চৰকাৰে কোনো সদস্যক অপসাৰণ কৰিব যদি, তেওঁ—

(ক) ধাৰা ৪ত উল্লেখিত কোনো অনৰ্হতাৰ সাপেক্ষে হয় ;

পৰন্তু কোনো সদস্যক, তেওঁ সেই ধাৰাৰ খণ্ড (ঙ)ত উল্লেখিত অনৰ্হতাৰ সাপেক্ষ হোৱাৰ আধাৰত অপসাৰিত নকৰিব যি পৰ্য্যন্ত তেওঁক সেই বিষয়ত শুনানীৰ এটা যুক্তিসংগত সুযোগ দিয়া নহয় ; বা

(খ) কাৰ্য্য কৰিবলৈ অস্বীকাৰ কৰে বা কাৰ্য্য কৰাৰ বাবে অসমৰ্থ হয় ; বা

(গ) প্ৰাধিকৰণৰ পৰা অনুপস্থিতিৰ ছুটী বিনা প্ৰাধিকৰণৰ ক্ৰমাগত তিনিখন সভাত অনুপস্থিত থাকে ; বা

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ মতত, তেওঁ, তেওঁৰ পদ মৰ্য্যাদাৰ এনেদৰে অপব্যৱহাৰ কৰিছে যে পদত তেওঁৰ নিৰন্তৰতাই জনসাধাৰণত স্বাৰ্থৰ হানি কাৰক হয় ঃ

পৰন্তু কোনো সদস্যক এই খণ্ডৰ অধীনত অপসাৰিত কৰা নহ'ব। যি পৰ্যন্ত তেওঁক সেই বিষয়ত শুনানীৰ এটা যুক্তিসংগত সুযোগ দিয়া নহয়।

*পুনৰ নিযুক্তিৰ বাবে সদস্যৰ যোগ্যতা।*

৭। এজন সদস্য নোহোৱা কোনো ব্যক্তিয়ে, ধাৰা ৪ ৰ অধীনত অনৰ্হ নোহোৱা পৰ্য্যন্ত পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'ব।

*সভাসমূহ*

৮। (১) প্ৰাধিকৰণ, এনে সময়ত আৰু স্থানসমূহত একেলগ হ'ব আৰু ইয়াৰ সভাসমূহত (এনে সভাসমূহত মূল অন্তৰ্ভুক্ত কৰি) ব্যৱসায়ৰ সংব্যৱহাৰৰ সম্বন্ধত প্ৰক্ৰিয়াৰ এনে নিয়মাৱলী নিৰীক্ষণ কৰিব যিদৰে বিনিয়মালৱলীৰ দ্বাৰা উপবন্ধিত কৰা হয়।

(২) অধ্যক্ষ বা যদি কোনো কাৰণৰ বাবে তেওঁ প্ৰাধিকৰণৰ কোনো সভাত উপস্থিত থাকিবলৈ অসমৰ্থ হয় সভাত উপস্থিত থকা সদস্যসমূহৰ দ্বাৰা বাছনি কৰা আন কোনো সদস্যই সভাত সভাপতিত্ব কৰিব।

(৩) প্ৰাধিকৰণৰ কোনো সভাৰ পূৰ্বে উত্থাপিত হোৱা সকলো প্ৰশ্ন উপস্থিত থকা সদস্যসমূহৰ এটা সংখ্যাগৰিষ্ঠ ভোট আৰু ভোট দানৰ দ্বাৰা বিনিশ্চিত কৰা হ'ব আৰু ভোটৰ সমানতাৰ ক্ষেত্ৰত, অধ্যক্ষ, বা তেওঁৰ অনুপস্থিতিত, সভাপতিত্ব কৰা ব্যক্তিজনৰ এটা দ্বিতীয় বা নিৰ্ণায়ক ভোট থাকিব আৰু প্ৰয়োগ কৰিব।

*পদৰিক্তি ইত্যাদিয়ে প্ৰাধিকৰণৰ কাৰ্য্যবাহী অবিধিমান্য নকৰিব।*

৯। প্ৰাধিকৰণৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী কেৱল মাত্ৰ নিম্নলিখিত কাৰণৰ দ্বাৰা অবৈধ নহ'ব—

(ক) প্ৰাধিকৰণৰ কোনো পদৰিক্তি বা গঠনত থকা কোনো ক্ৰটী ; বা

(খ) প্ৰাধিকৰণৰ এজন সদস্যৰূপে কাৰ্য্য কৰা এজন ব্যক্তিয়ে নিযুক্তিত থকা কোনো ক্ৰটী ; বা

(গ) গোচৰৰ গুনাগুনক প্ৰভাৱিত নকৰা প্ৰাধিকৰণৰ প্ৰক্ৰিয়াত থকা কোনো অনিয়মতা।

*প্ৰাধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ।*

১০। (১) এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ দক্ষ নিৰ্বহন কৰিবলৈ ইয়াক সক্ষম কৰাৰ প্ৰয়োজনাৰ্থে, প্ৰাধিকৰণ, এনে সংখ্যক পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দক নিযুক্তি দিব যিদৰে ই আৱশ্যক বিবেচনা কৰে।

পৰন্তু বিনিৰ্দিষ্ট কৰা দৰে পদাধিকাৰীৰ এনে প্ৰকাৰৰ নিযুক্তি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ সাপেক্ষে হ'ব।

(২) প্ৰাধিকৰণৰ দ্বাৰা নিয়োজিত প্ৰত্যেক পদাধিকাৰী বা আন কৰ্মচাৰীবৃন্দ সেৱাৰ এনে চৰ্ত্তাৱলীৰ সাপেক্ষে হ'ব আৰু বিনিয়মাৱলীৰ দ্বাৰা অৱধাৰিত কৰা দৰে এনে পাৰিতোষিকলৈ হকদাৰ হ'ব।

## অধ্যায়—৩

## প্ৰাধিকৰণৰ কৃত্য

*প্ৰাধিকৰণৰ কৃত্য*

১১। (১) এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, প্ৰাধিকৰণ, ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰ কাষত এটা অভিহিত স্থানত যাত্ৰী আৰু মালবস্তুৰ যাতায়তৰ সীমা অতিক্ৰম কৰাৰ বাবে সুবিধাসমূহৰ উন্নয়ন, পৰিস্কাৰ-পৰিচ্ছন্ন আৰু ব্যৱস্থাপনাৰ ক্ষমতা থাকিব।

(২) উপধাৰা (১)ত উপাবন্ধাৱলীৰ ব্যপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ প্ৰাধিকৰণে—

(ক) সীমাত একীকৃত পৰীক্ষণ চকীত সুৰক্ষা আজ্ঞাপন নিবেদন কৰা ব্যৱস্থাসমূহৰ যথা স্থানত ৰাখিব ;

(খ) কোনো একীকৃত পৰীক্ষণ চকীত ৰাষ্ট্ৰীয় ঘাইপথ, ৰাজ্যিক ঘাইপথ আৰু ৰে'লৰ ব্যতিৰেকে পথ, সুৰঙ্গা আৰু আনুষংগিক ভৱনৰ আঁচনি, নিৰ্মাণ আৰু পৰিচালনা কৰিব ;

(গ) এটা একীকৃত পৰীক্ষণ চকীত যোগাযোগ, সুৰক্ষা সামগ্ৰীসমূহৰ পৰিচালনা কাৰ্য্য আৰু অন্বেষণ সঁজুলিৰ আঁচনি, যোগাৰ প্ৰতিষ্ঠা আৰু পৰিচালনা কৰিব ;

(ঘ) আপ্ৰৱাস, সীমাশুল্ক, সুৰক্ষা, কৰাৰোপণ প্ৰাধিকাৰী পশু আৰু বৃক্ষ সংসৰ্গ ৰোধ পণ্যাগাৰ, জাহাজ আৰু মালপত্ৰ পৰীক্ষণ কোঠা, পাৰ্কিং অঞ্চল, বেংক, ডাকঘৰ, যোগাযোগৰ সুবিধাসমূহ, পৰ্যটকৰ তথ্য কেন্দ্ৰ, জিৰণী কোঠা, কেণ্টিন, জলযোগৰ দোকান, জনসাধাৰণৰ সা-সুবিধা, স্বাস্থ্য সেৱা আৰু এনে আন সেৱাসমূহৰ বাবে সমুচিত স্থান আৰু সা-সুবিধাৰ উপবন্ধ কৰিব, যিদৰে আৱশ্যক গণ্য কৰে ;

(ঙ) এটা একীকৃত পৰীক্ষণ চকীত অভিনিযুক্ত ইয়াৰ কৰ্মচাৰীবৃন্দৰ বাবে আৱাসিক ভৱন আৰু আৱাসিক সংস্থাপনৰ নিৰ্মাণ কৰিব ;

(চ) হোটেল, ভোজনালয় আৰু বিশ্ৰামগৃহ স্থাপন আৰু পৰিচালনা কৰিব ;

(ছ) সামগ্ৰীসমূহৰ ভঁৰালত ৰখা বা সংসাধনৰ বাবে পণ্যাগাৰ, কণ্টেইনাৰ ডিপো আৰু জাহাজ ৰখা স্থানৰ স্থাপন আৰু পৰিচালনা কৰিব ;

(জ) এটা একীকৃত পৰীক্ষণ চকীত যাত্ৰী আৰু আন ব্যক্তিসমূহৰ ব্যৱহাৰৰ বাবে ডাক, ধন বিনিময়, জীৱন বীমা আৰু দূৰভাষ সুবিধাসমূহৰ বাবে ব্যৱস্থা কৰিব ;

(ঝ) একীকৃত পৰীক্ষণ চকীৰ সুৰক্ষাৰ বাবে সমুচিত ব্যৱস্থা ল'ব। সেইবোৰৰ সংশ্লিষ্ট নিজ নিজ বিধিৰ অনুসৰণত যাত্ৰী আৰু সামগ্ৰীসমূহৰ প্ৰৱেশ আৰু প্ৰস্থানত যান-বাহনৰ চলাচলৰ বিনিময় আৰু নিয়ন্ত্ৰণৰ বাবে উপৱন্ধ কৰিব ;

(ঞ) জুই আৰু আন সংকট আৰু আন সুবিধাসমূহৰ নিবাৰণ আৰু নিয়ন্ত্ৰণ সুনিশ্চিত কৰিব যিদৰে আৱশ্যকীয় গণ্য কৰে ;

**ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণ অধিনিয়ম, ২০১০**

(ট) ভাৰত চৰকাৰৰ বিধি, সুৰক্ষা আৰু কাৰ্য্যবিৱৰণীক সম্যক অৱধানত ৰাখি একীকৃত পৰীক্ষণ চকীত যানবাহন, আৰু যাত্ৰীসকলৰ প্ৰৱেশ আৰু প্ৰস্থানৰ পৰিবহন কৰ্মীবৃন্দৰ, পৰিচালন এজেণ্ট, বকেয়া আৰু অগ্ৰৱৰ্তী এজেণ্ট আৰু সামগ্ৰীসমূহৰ যাতায়তক বিনিয়মিত আৰু নিয়ন্ত্ৰণ কৰিব ;

(ঠ) তৎসময় বলৱৎ নিজা নিজা বিধিৰ অনুসৰণত এটা একীকৃত পৰীক্ষণ চকীত, বিভিন্ন কাৰ্য্যকলাপ গ্ৰহণ কৰিবলৈ আৱদ্ধ হোৱা এজেঞ্চীসমূহৰ কাৰ্য্যক সম্বন্ধিত আৰু সূচল কৰিব ;

(ড) পৰামৰ্শকাৰী, নিৰ্মাণ বা ব্যৱস্থাপন সেৱাৰ উন্নয়ন আৰু উপৱন্ধ কৰিব আৰু একীকৃত পৰীক্ষণ চকীৰ সম্পৰ্কত ভাৰত আৰু বিদেশত ক্ৰিয়া প্ৰৱৰ্ত্তন কৰিব ;

১৯৫৬ৰ ১ (ঢ) এই অধিনিয়মৰ দ্বাৰা ইয়ালৈ আৰোপিত কৰা কৃত্যসমূহৰ সুদক্ষ নিৰ্বহনৰ বাবে কোম্পানী অধিনিয়ম, ১৯৫৬ ৰ অধীনত বা কোম্পানীৰ সম্পৰ্কিত আন কোনো বিধিৰ অধীনত এক বা ততোধিক কোম্পানী গঠন কৰিব ;

(ণ) এই অধিনিয়মৰ দ্বাৰা ইয়ালৈ প্ৰদত্ত বা আৰোপিত কৰা কোনো ক্ষমতাৰ কাৰ্য্যকৰীকৰণ বা কৃত্যৰ নিৰ্বহনৰ বাবে আৱশ্যকীয় বা সমীচীন হোৱা বা আনুষাংগিক হোৱা এনে সকলো ব্যৱস্থা গ্ৰহণ কৰিব ;

পৰন্তু প্ৰাধিকৰণৰ সাৰ্বভৌম কৃত্যসমূহক কোনো ব্যক্তিগত অস্তিত্বক সমনুদেশিত নকৰিব ঃ

(ত) প্ৰাধিকৰণলৈ সমনুদেশিত কৃত্যসমূহৰ যিকোনোটোৰ নিৰ্বহনৰ বাবে যুটীয়া প্ৰচেষ্টা কাৰ্য্যকৰী কৰিব ;

(থ) প্ৰাধিকাৰীৰ উত্তম বাণিজ্যিক হিতত একীকৃত পৰীক্ষণ চকীত আন কোনো কাৰ্য্যকলাপ গ্ৰহণ কৰিব।

(৩) এই ধাৰাৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনত, প্ৰাধিকৰণ, ভাৰত চৰকাৰ বা ৰাজ্য চৰকাৰৰ এনে মন্ত্ৰালয় বিভাগৰ সৈতে পৰামৰ্শ কৰিব পাৰে যিদৰেই আৱশ্যকীয় গণ্য কৰে আৰু ভূমি বন্দৰ সেৱাসমূহৰ উন্নয়ন আৰু এনে সেৱাৰ কাৰ্য্যদক্ষতা, অৰ্থনীতি আৰু সুৰক্ষাক সম্যক অৱধানত ৰাখিব।

(৪) এই ধাৰাত থকা কোনো কথাই,

(ক) প্ৰাধিকৰণৰ দ্বাৰা সম্প্ৰতি বলৱৎ আন কোনো বিধিৰ উপেক্ষাক প্ৰাধিকৃত কৰা ; বা

(খ) অন্যথা সাপেক্ষ নোহোৱা প্ৰাধিকৰণ বা ইয়াৰ পদাধিকাৰী বা আন কৰ্মচাৰীবৃন্দৰ কৰ্তব্য বা দায়িত্বৰ সম্বন্ধত কোনো কাৰ্য্যবাহী ৰুজু কৰিবলৈ কোনো ব্যক্তিক প্ৰাধিকৃত কৰা দৰে অৰ্থ নকৰিব।

*আন এজেঞ্চীসমূহৰ দায়িত্ব আৰু ক্ষমতাসমূহ।*

১২। (১) ভাৰতৰ সীমাত অভিনিযুক্ত নিজা নিজা সীমা ৰক্ষক বাহিনী, একীকৃত পৰীক্ষণ চকীৰ চৌদিশৰ সুৰক্ষাৰ বাবে দায়িত্বৱান হ'ব।

(২) প্ৰাধিকৰণে, এটা একীকৃত পৰীক্ষণ চকীত শান্তি আৰু সুৰক্ষা সুনিশ্চিতকৰণৰ বাবে

যেতিয়া এনে কৰাটো আৱশ্যক বিবেচনা কৰে সম্প্ৰতি বলৱৎ আন কোনো বিধিৰ উপৰন্ধাৱলীৰ অনুসৰণত সশস্ত্ৰ বাহিনী, কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনী বা ৰাজ্যিক আৰক্ষীৰ সহায়তা বিচাৰিব পাৰে।

(৩) সীমা শুল্ক, অপ্ৰৱাস, সাংসৰ্গিক আৰু আন পদাধিকাৰীসকলে, ইয়াৰ কৃত্যসমূহৰ প্ৰভাৰী নিৰ্বহনৰ বাবে প্ৰাধিকৰণৰ সৈতে সহযোগ কৰিব।

(৪) এই অধিনিয়মৰ কোনো উপাৰন্ধাৱলীত কোনো কথা থকা স্বত্বেও, সীমা শুল্ক, অপ্ৰৱাস, সাংসৰ্গিক পদাধিকাৰীসকল, সীমা ৰক্ষক বাহিনী আৰু আৰক্ষী সম্প্ৰতি বলৱৎ বিধিৰ অনুসৰণত তেওঁলোকৰ কৃত্যসমূহ নিৰ্বহন কৰিব।

## অধ্যায়—৪
## সম্পত্তি আৰু সবিদা

*সম্পত্তি আৰু দায়িত্ব প্ৰাধিকৰণত ন্যস্ত হ'ব।*

১৩। (১) ধাৰা ২ৰ খণ্ড (ঘ)ৰ অধীনত অধিসূচনাৰ জাৰি কৰা তাৰিখত কেন্দ্ৰীয় চৰকাৰে এনে অধিসূচনাত বিনিৰ্দিষ্ট কৰা দৰে ভূমি, ভৱন, যন্ত্ৰপাতি, সা-সঁজুলি, কৰ্ম, কৰ্মশালা, নগদ ৰাহি, মূলধন, ৰিজাৰ্ভ, আৰক্ষিত নিধি, বিনিয়োগ, ৰায়তিস্বত্ব, হানি আৰু বহী ঋণ আৰু সেই অধিসূচনাৰ জাৰিৰ অব্যৱহৃত পূৰ্বে যিকোনো ভূমি বন্দৰত ভাৰত চৰকাৰৰ স্বামী-স্বাধীন বা দখলত থকা এনে সম্পত্তিৰ পৰা উদ্ভৱ হোৱা আন সকলো অধিকাৰ আৰু স্বাৰ্থক অন্তৰ্ভুক্ত কৰি এনে সকলো পৰিসম্পত্তি অধিকাৰ ক্ষমতা প্ৰাধিকাৰ আৰু বিশেষাধিকাৰ আৰু এনে অস্থাৱৰ আৰু স্থাৱৰ সম্পত্তি বাস্তৱিক বা ব্যক্তিগত, মূৰ্ত অমূৰ্ত উপস্থিত বা সম্ভাব্য যি প্ৰকৃতিৰেই নহওঁক কিয় প্ৰাধিকৰণত ন্যস্ত হ'ব আৰু এনে ন্যস্তকৰণত সেই সময়ত অস্তিত্বশীল হোৱা সকলো ঋণ, দায়িত্ব আৰু বাধ্যবাধ্যকতা অন্তৰ্ভুক্ত হোৱা বুলি গণ্য হ'ব।

(১) উপধাৰা (১)ৰ অধীনত থকা অধিসূচনা, ভাৰত চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰালয় বা বিভাগসমূহৰ সন্মতিৰ পিছত কেৱল জাৰি কৰা হ'ব, যদিহে য'ত এনে সম্পত্তিসমূহ এনে মন্ত্ৰালয় বা বিভাগসমূহৰ দ্বাৰা স্বামী-স্বাধীন বা নিয়ন্ত্ৰণত থাকে।

*প্ৰাধিকৰণত উপক্ৰমৰ ন্যস্ত কৰণৰ সাধাৰণ প্ৰভাৱ।*

১৪। ধাৰা ২ৰ খণ্ড (ঘ)ৰ অধীনত জাৰি কৰা অধিসূচনাৰ তাৰিখৰ অব্যৱহৃত পূৰ্বে অস্তিত্বশীল সকলো সংবিদা, চুক্তি আৰু কৰ্ম বিন্যাস আৰু প্ৰভাৰী ভূমি বন্দৰৰ, প্ৰাধিকৰণক অৱধানত ৰাখি, পূৰ্ণ বল আৰু প্ৰভাৱ থাকিব।

প্ৰত্যাভূতি প্ৰৱৰ্তনীয় হ'ব।

১৫। কোনো ঋণ, সাময়িক পট্টন বা বিত্তৰ সম্বন্ধত ভূমি সীমা শুল্ক কেন্দ্ৰ, বা আপ্ৰবাস পৰীক্ষণ চকীৰ বাবে বা সাপেক্ষে দিয়া কোনো প্ৰত্যাভূতি, এনে কেন্দ্ৰ বা পৰীক্ষণ চকীৰ সম্পৰ্কত প্ৰৱৰ্তনীয় হৈ থাকিব। যিটোক এই অধিনিয়মৰ বলত প্ৰাধিকৰণত ন্যস্ত কৰা হৈছে।

*প্ৰাধিকৰণৰ বাবে ভূমিৰ বাধ্যতামূলক অধিগ্ৰহণ। ১৯৫৬ৰ ৪৮*

১৬। এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনৰ বাবে প্ৰাধিকৰণৰ দ্বাৰা অপেক্ষিত কোনো ভূমি জনসাধাৰণৰ কোনো প্ৰয়োজনাৰ্থে দৰকাৰী বুলি গণ্য হ'ব আৰু এনে ভূমি ৰাষ্ট্ৰীয় ঘাইপথ, অধিনিয়ম, ১৯৫৬ৰ উপৰন্ধাৱলী বা তৎসময় বলৱৎ আন কোনো বিধিৰ অধীনত প্ৰাধিকৰণৰ বাবে অৰ্জিত কৰিব পাৰে।

*প্ৰাধিকৰণৰ দ্বাৰা কৰা সংবিদা।*

১৭। ধাৰা ১৮ৰ উপৰন্ধাৱলীৰ সাপেক্ষে, প্ৰাধিকৰণ এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনৰ বাবে আৱশ্যকীয় কোনো সংবিদাত প্ৰবিষ্টিৰ আৰু সম্পাদন কৰিবলৈ সক্ষম হ'ব।

*প্ৰাধিকৰণৰ হ'কে সংবিদা নিষ্পাদনৰ প্ৰক্ৰম।*

১৮। (১) প্ৰাধিকৰণৰ হকে প্ৰত্যেক সংবিদা, প্ৰাধিকৰণৰ দ্বাৰা এই মৰ্মে সাধাৰণভাৱে বা বিশেষভাৱে ক্ষমতাৰ্পিত কৰা দৰে প্ৰাধিকৰণৰ অধ্যক্ষ বা এনে পদাধিকাৰীৰ দ্বাৰা পৰা হ'ব আৰু বিনিয়মাৱলীত বিনিৰ্দিষ্ট কৰাৰ দৰে এনে সংবিদা প্ৰাধিকৰণৰ সাধাৰণ মোহৰসহ মুদ্ৰাঙ্কিত কৰা হ'ব।

পৰন্তু কেন্দ্ৰীয় চৰকাৰে, আদেশৰ দ্বাৰা এই মৰ্মে নিৰ্ধাৰিত কৰা দৰে এনে মূল্য বা পৰিমাণৰ অধিক হোৱা কোনো সংবিদা কৰা নহ'ব। যি পৰ্যন্তই কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পূৰ্বতে সংমোদিত হোৱা নাই।

উপৰন্তু স্থাৱৰ সম্পত্তিৰ অধিগ্ৰহণ বা বিক্ৰীৰ বাবে বা ত্ৰিশ বছৰৰ অধিক কোনো অৱধিৰ বাবে এনে কোনো সম্পত্তিৰ সাময়িক পট্টনৰ বাবে কোনো সংবিদা আৰু কেন্দ্ৰীয় চৰকাৰে, এই মৰ্মে আদেশৰ দ্বাৰা নিৰ্ধাৰিত কৰা দৰে এনে মূল্য বা পৰিমাণৰ অধিক হোৱা কোনো আন সংবিদা কৰা নহ'ব যি পৰ্য্যন্ত ই, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পূৰ্বেতে সংমোদিত হোৱা নাই।

(২) উপধাৰা (১)ৰ উপৰন্ধাৱলীৰ সাপেক্ষে, এই অধিনিয়মৰ অধীনত কোনো সংবিদা কৰা প্ৰ-পত্ৰ আৰু ৰীতি, বিনিয়মাৱলীৰ দ্বাৰা উপৰন্ধিত কৰা দৰে এনে হ'ব।

(৩) এই অধিনিয়মৰ উপৰন্ধাৱলী আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলী আৰু বিনিয়মাৱলীৰ অনুসৰণত নথকা কোনো সংবিদা প্ৰাধিকৰণত আৱদ্ধ নহ'ব।

## অধ্যায়—৫
## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

*প্ৰাধিকৰণৰ মাচুল ভাড়া, ইত্যাদি আৰোপৰ ক্ষমতা।*

১৯। প্ৰাধিকৰণে নিম্নলিখিতসমূহৰ বাবে প্ৰত্যেক একীকৃত পৰীক্ষণ চকীৰ বাবে পৃথকভাৱে, বিনিয়মাৱলীৰ দ্বাৰা উপবন্ধিত কৰাৰ দৰে কোনো আন অধিনিয়মৰ অধীনত কোনো পৰিনিয়ত উদগ্ৰহণ নোহোৱা এনে মাচুল বা ভাড়া নিৰ্ধাৰণ আৰু আৰোপ কৰিব পাৰে—

(ক) জাহাজৰ পৰিচালনা পণ্যাগাৰ, ট্ৰাক ৰখা স্থানৰ বাবে বা পৰিবহন কাৰ্য্যৰ সম্বন্ধত প্ৰদান কৰা আনে কোনো সেৱা বা সুবিধা ;

(খ) যাত্ৰী আৰু দৰ্শনাৰ্থীলৈ দিয়া যাত্ৰীৰ যান-বাহন ৰখা স্থান আৰু আন সুবিধা ;

(গ) প্ৰাধিকৰণৰ দ্বাৰা উপবন্ধিত সা-সুবিধা আৰু আন সেৱাসমূহক সহজলভ্য কৰা।

*কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰাধিকৰণলৈ দিয়া অতিৰিক্ত মূলধন আৰু মঞ্জুৰী।*

২০। কেন্দ্ৰীয় চৰকাৰে, এই মৰ্মে বিধিৰ দ্বাৰা সংসদৰ দ্বাৰা প্ৰণীত বিনিয়োজনৰ পিছত—

(ক) সেই চৰকাৰে অৱধাৰিত কৰাৰ দৰে এনে নিৰন্ধন আৰু চৰ্তাৱলীৰ ওপৰত এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনৰ বাবে বা ইয়াৰ সৈতে জড়িত কোনো প্ৰয়োজনৰ বাবে প্ৰাধিকৰণৰ দ্বাৰা অপেক্ষিত হোৱা কোনো মূলধন উপবন্ধিত কৰিব পাৰে ;

(খ) কেন্দ্ৰীয় চৰকাৰে অৱধাৰিত কৰা দৰে এনে নিবন্ধন আৰু চৰ্তাৱলীৰ ওপৰত, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ দক্ষ নিৰ্বহনৰ বাবে সেই চৰকাৰে আৱশ্যকীয় বিবেচনা কৰা দৰে এনে পৰিমাণৰ ধনৰাশি, ঋণ বা মঞ্জুৰীৰ জৰিয়তে প্ৰাধিকৰণক আদায় দিব পাৰে।

*প্ৰাধিকৰণৰ নিধি আৰু ইয়াৰ বিনিয়োগ।*

২১। (১) প্ৰাধিকৰণে ইয়াৰ নিজস্ব নিধি স্থাপন কৰিব আৰু প্ৰাধিকৰণৰ সকলো প্ৰাপ্তি তাত জমা হ'ব আৰু প্ৰাধিকৰণৰ দ্বাৰা দিয়া সকলো আদায় তাৰ পৰা দিয়া হ'ব।

(২) প্ৰাধিকৰণৰ, এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে প্ৰাধিকৰণৰ সকলো প্ৰশাসনিক ব্যয় অন্তৰ্ভুক্ত কৰিবলৈ বা এই অধিনিয়মৰ দ্বাৰা প্ৰাধিকৃত প্ৰয়োজনসমূহৰ বাবে ই উচিত বিবেচনা কৰা দৰে এনে ধনৰাশি ব্যয় কৰিবলৈ ক্ষমতা থাকিব আৰু এনে ধন ৰাশি, প্ৰাধিকৰণৰ নিধিৰ পৰা হোৱা ব্যয় হিচাপে গণ্য হ'ব।

(৩) উপধাৰা (১)ত উপবন্ধিত দৰে তৎকালীনভাৱে প্ৰযোজ্য নোহোৱা প্ৰাধিকাৰীৰ জমাত ৰখা সকলো ধনৰাশি—

(ক) কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে, বিনিৰ্দিষ্ট কৰাৰ দৰে এনে চৰ্তাৱলীৰ সাপেক্ষে ভাৰতৰ ষ্টেট বেংক বা কোনো এনে অনুসূচিত বেংক, বা বেংক বা আন লোক বিত্তীয় সংস্থাত জমা ৰখা হ'ব ;

(খ) কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিভূতিত বা বিহিত কৰা দৰে এনে ৰীতিত বিনিয়োগ কৰিব।

**স্পষ্টীকৰণ ঃ**— এই উপধাৰাত, "অনুসূচিত বেংক" ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অধিনিয়ম, ১৯৩৪ৰ ধাৰা ২ৰ খণ্ড (ঙ)ত হিচাপে একেই অৰ্থ হ'ব।

*১৯৩৪ৰ ২ ৰাহি নিধিৰ আবণ্টন।*

২২। (১) প্ৰাধিকৰণে সময়ে সময়ে, ই উচিত বিবেচনা কৰি, বিদ্যমান সুবিধা বা সেৱাসমূহৰ বিস্তাৰ বা কোনো একীকৃত পৰীক্ষণ চকীত নতুন সুবিধা বা সেৱাসমূহৰ সৃষ্টি বা ক্ষণস্থায়ী কাৰণৰ পৰা ব্যয়ৰ বৃদ্ধিৰ প্ৰয়োজনাৰ্থে বা স্থানান্তৰিত কৰাৰ প্ৰয়োজনাৰ্থে বা কোনো প্ৰাকৃতিক দুৰ্যোগ বা দুৰ্ঘটনাৰ বাবে হোৱা লোকচান বা ক্ষতিৰ পৰা উদ্ধৰ হোৱা ব্যয় পূৰণ কৰিব পাৰে বা এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনত কোনো কাৰ্য্য ক্ৰটী বা সংঘটনৰ পৰা উদ্ভৱ হোৱা কোনো দায়িত্ব পূৰণ কৰাৰ প্ৰয়োজনাৰ্থে এটা ৰিজাৰ্ভ নিধি বা নিধি ৰূপে এনে ধনৰাশি পৃথকভাৱে ৰাখিব পাৰে।

পৰন্তু প্ৰাধিকৰণৰ বিনিৰ্দিষ্ট প্ৰয়োজনৰ বাবে বিনিৰ্দিষ্ট আৰক্ষণ স্থাপন কৰিবলৈ ক্ষমতাও থাকিব ঃ

উপৰন্তু আৰু সাধাৰণ আৰক্ষণৰ প্ৰত্যেক বা বিনিৰ্দিষ্ট যিকোনোটোৰ আৰু যিকোনো সময়ত এনে ধনৰাশিৰ গড় হিচাপৰ সম্বন্ধত বাৰ্ষিকভাৱে পৃথকে ৰখা ধনৰাশি এনে সীমাৰ অধিক নহ'ব, যিদৰে সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰে সেই মৰ্মে নিৰ্ধাৰিত কৰে।

*১৯৫৬ৰ ১*

(২) কোম্পানী অধিনিয়ম, ১৯৫৬ৰ অধীনত পঞ্জীকৃত আৰু নিগমিত কোম্পানীসমূহৰ দ্বাৰা সাধাৰণতে উপবন্ধিত কৰা এনে আৰক্ষণ নিধি বা নিধিৰ বাবে আৰু অনাদেয় আৰু সন্দেহযুক্ত ঋণ, পৰিস্পত্তিৰ মূল্য হ্ৰাস আৰু আন সকলো বিষয়ৰ বাবে উপবন্ধ কৰাৰ পিছত প্ৰাধিকৰণে কেন্দ্ৰীয় চৰকাৰক ইয়াৰ বাৰ্ষিক শুদ্ধ লাভাংশৰ উদ্ধৃত আদায় দিব।

*কাৰ্য্যকলাপৰ কৰ্মসূচী আৰু বিত্তীয় প্ৰাক্কলনৰ উপস্থাপন।*

২৩। প্ৰাধিকৰণে, প্ৰত্যেক বিত্তীয় বৰ্ষৰ প্ৰাৰম্ভণৰ পূৰ্বে, আগন্তুক বিত্তীয় বৰ্ষৰ কালত ইয়াৰ কাৰ্য্যকলাপৰ কৰ্মসূচী আৰু তাৰ সম্বন্ধত বিত্তীয় প্ৰাক্কলনৰ এটা বিৱৰণী প্ৰস্তুত কৰিব আৰু ইয়াক কেন্দ্ৰীয় চৰকাৰৰ সংমোদনৰ বাবে দাখিল কৰিব।

*প্ৰাধিকৰণৰ ধাৰ লোৱাৰ ক্ষমতা।*

২৪। (১) প্ৰাধিকৰণে কেন্দ্ৰীয় চৰকাৰৰ সন্মতিসহ বা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ইয়ালৈ দিয়া কোনো সাধাৰণ বা বিশেষ প্ৰাধিকাৰীৰ নিবন্ধনৰ অনুসৰণত খত পত্ৰ, ঋণপত্ৰ বা এনে আন লেখ্যসমূহৰ জাৰিৰ দ্বাৰা কোনো উৎসৰ পৰা ধনৰাশি ধাৰ কৰিব পাৰে যিদৰে এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ সকলো বা কোনোটোৰ নিৰ্বহনৰ বাবেই উচিত গণ্য কৰে।

(২) কেন্দ্ৰীয় চৰকাৰে ই উচিত বুলি ভবাৰ দৰে এনে ৰীতিত উপধাৰা (১)ৰ অধীনত প্ৰাধিকৰণৰ দ্বাৰা লোৱা ঋণসমূহৰ সম্বন্ধত মূলধন আৰু ইয়াত ওপৰত হোৱা সুতৰ আদায়ৰ পুনৰ আদায়ৰ প্ৰত্যাভুতি দিব।

(৩) কেন্দ্ৰীয় চৰকাৰে, সময়ে সময়ে প্ৰণীত কৰাৰ দৰে এনে পৰিসীমাৰ সাপেক্ষে, প্ৰাধিকৰণে, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনৰ বাবেই অপেক্ষিত কৰা দৰে এনে ধনৰাশি, অধিকৰ্ষ বা অন্যথাৰ জৰিয়তে সাময়িকভাৱে ধাৰ কৰিব পাৰে।

*হিচাপ আৰু হিচাপ পৰীক্ষা।*

২৫। (১) প্ৰাধিকৰণে সঠিক হিচাপ আৰু আন আনুসংগিক অভিলেখ সংৰক্ষণ কৰিব আৰু ভাৰতৰ নিয়ন্ত্ৰকক আৰু মহালেখা পৰীক্ষকৰ পৰামৰ্শসহ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে প্ৰ-পত্ৰত লাভ আৰু লোকচানৰ হিচাপ আৰু উদ্বৃত্ত পত্ৰ অন্তৰ্ভুক্ত কৰি হিচাপসমূহৰ এটা বাৰ্ষিক বিবৃতি প্ৰস্তুত কৰিব।

(২) প্ৰাধিকৰণৰ হিচাপসমূহ ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা বাৰ্ষিকভাৱে হিচাপ পৰীক্ষা কৰা হ'ব আৰু এনে হিচাপ পৰীক্ষাৰ সৈতে জড়িত তেওঁৰ দ্বাৰা উপগত কোনো ব্যয় প্ৰাধিকৰণৰ দ্বাৰা তেওঁলৈ পৰিশোধ কৰা হ'ব।

(৩) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক আৰু প্ৰাধিকৰণৰ হিচাপৰ হিচাপ পৰীক্ষাসমূহৰ সৈতে জড়িত তেওঁৰ দ্বাৰা নিয়োজিত কোনো ব্যক্তিৰ এনে হিচাপ পৰীক্ষাৰ সৈতে জড়িত একেই অধিকাৰ আৰু বিশেষাধিকাৰ আৰু প্ৰাধিকাৰ থাকিব যিদৰে নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ চৰকাৰী হিচাপসমূহৰ হিচাপ পৰীক্ষাৰ সৈতে জড়িত হয় আৰু বিশেষতঃ বহীৰ হিচাপ সম্পৰ্কিত ভাউচাৰ, প্ৰমাণিত ৰছিদ দস্তাবেজ আৰু কাগজ-পত্ৰৰ উপস্থাপনৰ দাবী কৰাৰ প্ৰাধিকৰণৰ কাৰ্য্যালয়সমূহৰ যিকোনোটোৰ পৰিদৰ্শন কৰিবলৈ অধিকাৰ থাকিব।

(৪) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ বা এই মৰ্মে তেওঁৰ দ্বাৰা নিয়োজিত কোনো আন ব্যক্তিৰ দ্বাৰা প্ৰমাণিত কৰাৰ দৰে ইয়াৰ ওপৰত হিচাপৰ প্ৰতিবেদনসহ একেলগে প্ৰাধিকৰণৰ হিচাপসমূহক কেন্দ্ৰীয় চৰকাৰলৈ বাৰ্ষিকভাৱে প্ৰেৰণ কৰা হ'ব আৰু একেবোৰক সংসদৰ উভয় সদনত উত্থাপিত কৰা হ'ব।

## অধ্যায়—৬
## বিবিধ

*বাৰ্ষিক প্ৰতিবেদনৰ দাখিলকৰণ।*

২৬। (১) প্ৰাধিকৰণে প্ৰত্যেক বিত্তীয় বৰ্ষৰ শেষৰ পিছত যথাশীঘ্ৰে বিহিত কৰা দৰে এনে প্ৰপত্ৰত কেন্দ্ৰীয় চৰকাৰলৈ সেই বিত্তীয় বৰ্ষৰ ভিতৰত ইয়াৰ কাৰ্য্যকলাপসমূহৰ এটা হিচাপ দিয়াৰ এখন প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু দাখিল কৰিব আৰু প্ৰতিবেদনখনে পৰৱৰ্তী বিত্তীয় বৰ্ষত প্ৰাধিকৰণৰ দ্বাৰা গ্ৰহণ কৰিবলৈ সম্ভাৱনা থকা কাৰ্য্যকলাপসমূহৰো এটা হিচাপ দিব।

(২) কেন্দ্ৰীয় চৰকাৰে ইয়াক দাখিল কৰাৰ পিছত, যথাশীঘ্ৰে সংসদৰ উভয় সদনত এনে প্ৰতিবেদন উত্থাপিত কৰিবলৈ পাৰিত কৰিব।

*আৰোপণ*

২৭। প্ৰাধিকৰণে লিখিতভাৱে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা আদেশত বিনিৰ্দিষ্ট কৰা দৰে এনে চৰ্তাৱলী আৰু পৰিসীমাৰ সাপেক্ষে যদি কিবা থাকে, অধ্যক্ষ, বা আন কোনো সদস্য বা প্ৰাধিকৰণৰ কোনো পদাধিকাৰীলৈ ই আৱশ্যকীয় গণ্য কৰাৰ দৰে, (ধাৰা ৩৫ৰ অধীনৰ ক্ষমতাসমূহৰ ব্যতিৰেকে) এই অধিনিয়মৰ অধীনত ইয়াৰ এনে ক্ষমতা আৰু কৃত্যৰ আৰোপ কৰিব পাৰে।

*প্ৰাধিকৰণৰ আদেশ আৰু আন লেখ্যসমূহৰ অধিপ্ৰমাণীকৰণ।*

২৮। প্ৰাধিকৰণৰ সকলো আদেশ আৰু বিনিশ্চয় অধ্যক্ষৰ বা এই মৰ্মে প্ৰাধিকৰণৰ দ্বাৰা প্ৰাধিকৃত আন কোনো সদস্যৰ হস্তাক্ষৰৰ দ্বাৰা অধিপ্ৰমাণিত কৰা হ'ব আৰু প্ৰাধিকৰণৰ দ্বাৰা নিষ্পাদিত আন সকলো লেখ্য এই মৰ্মে ইয়াৰ দ্বাৰা প্ৰাধিকৃত প্ৰাধিকৰণৰ এজন পদাধিকাৰীৰ হস্তাক্ষৰৰ দ্বাৰা অধিপ্ৰমাণিত কৰা হ'ব।

*প্ৰাধিকৰণৰ পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ লোকসেৱক হ'ব।*

২৯। প্ৰাধিকৰণৰ সকলো পদাধিকাৰী আৰু কৰ্মচাৰী এই অধিনিয়মৰ উপবন্ধাৱলীৰ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা বিনিয়মৰ অনুসৰণত কাৰ্য্য কৰোতে বা কাৰ্য্য কৰিবলৈ তাৎপৰ্যিত হোৱাৰ সময়ত ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ ৰ অৰ্থৰ ভিতৰত লোকসেৱক বুলি গণ্য হ'ব।

*১৮৬০ৰ ৪৫ সদ বিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ সুৰক্ষা।*

৩০। কোনো বাদ অভিযোজন বা বিধিক কাৰ্য্যাৱাহী, এই অধিনিয়মৰ ইয়াৰ অধীনত প্ৰণীত নিয়ম বা বিনিয়মৰ অনুসৰণত সদ্‌বিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত যিকোনো কাৰ্য্যৰ বাবে প্ৰাধিকৰণ বা প্ৰাধিকৰণৰ কোনো সদস্য বা কোনো পদাধিকাৰী বা আন কৰ্মচাৰীবৃন্দৰ বিৰুদ্ধে নচলিব।

*হেৰুওৱা সম্পত্তিৰ অভিৰক্ষা আৰু নিষ্পত্তিকৰণ।*

৩১। প্ৰাধিকৰণে, এই মৰ্ম প্ৰণয়ন কৰা দৰে এনে বিনিয়মাৱলীৰ সাপেক্ষে, প্ৰাধিকৰণে, সঠিক অভিৰক্ষাত থকা সময়ত প্ৰাধিকৰণৰ অন্তৰ্গত কোনো প্ৰাংগণত বা ইয়াৰ সামগ্ৰিক নিয়ন্ত্ৰণৰ অধীনত পোৱা কোনো সম্পত্তিৰ সুৰক্ষিত অভিৰক্ষা আৰু পুনঃস্থাপন সুনিশ্চিতকৰণৰ উপৱন্ধ কৰিব।

*কেন্দ্ৰীয় চৰকাৰৰ প্ৰাধিকৰণক অধিক্ৰমণ কৰাৰ ক্ষমতা থাকিব।*

৩২। (১) যদি, কোনো সময়তে কেন্দ্ৰীয় চৰকাৰৰ অভিমত হয় যে—

(ক) এটা গুৰুতৰ জৰুৰীকালীন অৱস্থাত প্ৰাধিকৰণে এই অধিনিয়মৰ উপবন্ধাৱলীৰ দ্বাৰা বা অধীনত ইয়ালৈ আৰোপিত কৰা কৃত্য আৰু কৰ্তব্যসমূহ নিৰ্বহন কৰিবলৈ অসফল হয় ; বা

(খ) প্ৰাধিকৰণে এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰি কৰা কোনো নিৰ্দেশনাৰ পালনত বা এই অধিনিয়মৰ উপবন্ধাৱলীৰ দ্বাৰা বা অধীনত ইয়ালৈ আৰোপিত কৃত্য আৰু কৰ্তব্যসমূহৰ নিৰ্বহনত অপৰিৱৰ্তিত ৰূপে ত্ৰুটী কৰে, আৰু এনে ত্ৰুটীৰ ফলস্বৰূপে, প্ৰাধিকৰণৰ বিত্তীয় অৱস্থা বা একীকৃত পৰীক্ষণ চকীৰ প্ৰশাসনৰ অৱনতি ঘটে ; বা

(গ) বিদ্যমান পৰিস্থিতিত যিয়ে এনেদৰে কৰিবলৈ লোক স্বাৰ্থত ই আৱশ্যকীয় হয় ;

কেন্দ্ৰীয় চৰকাঁৰে চৰকাৰী ৰাজপত্ৰত, অধিসূচনাৰ দ্বাৰা, অধিসূচনাত বিনিৰ্দিষ্ট কৰা দৰে ছয়মাহৰ অনধিক এনে কালৰ বাবে প্ৰাধিকৰণক অতিক্ৰম নকৰিব ঃ

পৰন্তু খণ্ড (খ)ত উঁল্লেখিত কাৰণসমূহৰ বাবে এই উপধাৰাৰ অধীনত এখন অধিসূচনা জাৰি কৰাৰ পূৰ্বে, কেন্দ্ৰীয় চৰকাৰে, ইয়াক কিয় অধিক্ৰমণ কৰা নহ'ব তাৰ কাৰণ দৰ্শাবলৈ প্ৰাধিকৰণক এটা যুক্তিসংগত সুযোগ দিব আৰু প্ৰাধিকৰণৰ স্পষ্টীকৰণ আৰু আপত্তি যদি কিবা থাকে, বিবেচনা কৰিব।

(২) উপ-ধাৰা (১)ৰ অধীনত প্ৰাধিকৰণ অধিক্ৰমণ কৰা এখন অধিসূচনাৰ প্ৰকাশনৰ ওপৰত—

(ক) সকলো সদস্যই অধিক্ৰমণৰ তাৰিখৰ পৰা, এনেদৰে তেওঁলোকৰ পদ ৰিক্ত কৰিব ;

(খ) এই অধিনিয়মৰ উপবন্ধাৱলীৰ দ্বাৰা বা অধীনত প্ৰাধিকৰণৰ দ্বাৰা বা হকে কাৰ্য্যকৰী বা নিৰ্বহিত হোৱা সকলো ক্ষমতা কৃত্য আৰু কৰ্তব্য উপধাৰা (৩)ৰ অধীনত প্ৰাধিকৰণ পুনৰগঠিত নোহোৱা পৰ্য্যন্ত এনে ব্যক্তি বা ব্যক্তিসমূহৰ দ্বাৰা কাৰ্য্যকৰী আৰু নিৰ্বহিত হ'ব যিদৰে কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ দিয়ে ; আৰু

(গ) প্ৰাধিকৰণৰ দ্বাৰা স্বামীত্বাধীন বা নিয়ন্ত্ৰিত সকলো সম্পত্তি উপধাৰা (৩)ৰ অধীনত প্ৰাধিকৰণ পুনৰ গঠিত নোহোৱা পৰ্য্যন্ত কেন্দ্ৰীয় চৰকাৰত ন্যস্ত থাকিব ।

(৩) উপধাৰা (১)ৰ অধীনত জাৰি কৰা অধিসূচনাত বিনিৰ্দিষ্ট অধিক্ৰমণ কালৰ অৱসানত কেন্দ্ৰীয় চৰকাৰে,—

(ক) ছয় মাহৰ অনধিক এনে অতিৰিক্ত অৱধিৰ বাবে অতিক্ৰমণৰ কাল বৃদ্ধি কৰিব পাৰে, যিদৰে ই আৱশ্যকীয় বিবেচনা কৰে, বা

(খ) নতুন নিযুক্তিৰ দ্বাৰা প্ৰাধিকৰণৰ পুনৰ গঠন কৰিব পাৰে আৰু এনে ক্ষেত্ৰত সদস্যসকল, যিয়ে উপধাৰা (২)ৰ খণ্ড (ক)ৰ অধীনত তেওঁলোকৰ পদসমূহ ৰিক্ত কৰে, নিযুক্তিৰ বাবে অৰ্নহ বুলি গণ্য নহ'ব ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে, অধিক্ৰমণ কালৰ অৱসানৰ পূৰ্বে যিকোনো সময়তে, উপধাৰা (১)ৰ অধীনত মূলত বিনিৰ্দিষ্ট ৰূপেই হওঁক বা এই উপধাৰাৰ অধীনত বৰ্ধিত ৰূপেই হওঁক এই উপধাৰাৰ খণ্ড (খ)ৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

(৪) কেন্দ্ৰীয় চৰকাৰে উপধাৰা (১)ৰ অধীনত জাৰি কৰা কোনো অধিসূচনা কাৰিত কৰিব আৰু এই ধাৰাৰ অধীনত লোৱা কোনো কাৰ্য্য ব্যৱস্থাৰ এটা সম্পূৰ্ণ প্ৰতিবেদন আৰু এনে কাৰ্য্য ব্যৱস্থাক সূচিত কৰা পৰিস্থিতি সমূহক সংসদৰ অব্যৱহিত অনুৱৰ্তী বৈঠকত সংসদৰ উভয় সদনত উত্থাপিত কৰা হ'ব।

*কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা জাৰি কৰাৰ ক্ষমতা।*

৩৩। (১) এই অধিনিয়মৰ পূৰ্বগামী উপৱন্ধাৱলীৰ প্ৰতিকূল নোহোৱাকৈ প্ৰাধিকৰণে এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্য আৰু কৰ্তব্যসমূহৰ নিৰ্বহনত, কেন্দ্ৰীয় চৰকাৰে ইয়ালৈ সময়ে সময়ে লিখিতভাৱে দিয়া দৰে নীতিৰ প্ৰশ্নসমূহৰ ওপৰত এনে নিৰ্দেশনাৰ দ্বাৰা আৱদ্ধ হ'ব ঃ

পৰন্তু প্ৰাধিকৰণক এই উপধাৰাৰ অধীনত কোনো নিৰ্দেশনা দিয়াৰ পূৰ্বে ইয়াৰ মতামত অভিব্যক্ত কৰিবলৈ যথাসাধ্য সুযোগ দিব।

(২) প্ৰশ্নটো এটা নীতিৰ হওঁক বা নহওঁক কেন্দ্ৰীয় চৰকাৰৰ বিনিশ্চয় চূড়ান্ত হ'ব।

(৩) কেন্দ্ৰীয় চৰকাৰে, সময়ে সময়ে ধাৰা ১১ৰ উপধাৰা (২)ৰ খণ্ডসমূহৰ অধীনত ইয়াৰ দ্বাৰা কোনো কৃত্যৰ নিৰ্বহনৰ সম্বন্ধত প্ৰাধিকৰণলৈ নিৰ্দেশনা জাৰি কৰিব পাৰে আৰু প্ৰাধিকৰণে এনে নিৰ্দেশনা পালন কৰিবলৈ বাধ্য হ'ব।

*নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।*

৩৪। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপৱন্ধাৱলী কাৰ্য্যান্বিত কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত সমূহৰ উপবন্ধ কৰিব পাৰে—

(ক) ধাৰা ৫ৰ উপধাৰা (২)ৰ অধীনত প্ৰাধিকৰণৰ সদস্যসমূহৰ সেৱাৰ আন চৰ্তাৱলী ;

(খ) ধাৰা ৫ৰ উপধাৰা (৩)ৰ অধীনত তেওঁৰ পদ ত্যাগ কৰিবলৈ কোনো সদস্যৰ দ্বাৰা দিয়া দৰে সূচনাৰ অৱধি ;

(গ) যি ৰীতিত প্ৰাধিকাৰীয়ে ধাৰা ২১ৰ উপধাৰা (৩)ৰ খণ্ড (খ)ৰ অধীনত নিধিসমূহ বিনিয়োগ কৰে ;

(ঘ) যি প্ৰ-পত্ৰত হিচাপসমূহৰ বাৰ্ষিক বিৱৰণী ধাৰা ২৫ৰ উপধাৰা (১)ৰ অধীনত প্ৰাধিকৰণৰ দ্বাৰা প্ৰস্তুত কৰা হ'ব ;

(ঙ) যি প্ৰ-পত্ৰত ইয়াৰ কাৰ্য্যকলাপসমূহৰ এটা হিচাপ দি এটা প্ৰতিবেদন, ধাৰা ২৬ৰ উপধাৰা (১)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰাধিকৰণৰ দ্বাৰা প্ৰস্তুত আৰু দাখিল কৰা হ'ব ; আৰু

(চ) আন কোনো বিষয় যিটো বিহিত কৰা হয় বা কৰিব পাৰে ।

*বিনিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।*

৩৫। (১) প্ৰাধিকৰণে কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব সংমোদনসহ এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাৱী কৰাৰ প্ৰয়োজনাৰ্থে এই অধিনিয়ম আৰু ইয়াৰ অধীনত প্ৰণিত নিয়মাৱলীৰ অসংগতত নোহোৱাকৈ বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে বিনিয়মাৱলীয়ে নিম্নলিখিতৰ বাবে উপবন্ধ কৰিব পাৰে।

(ক) প্ৰাধিকৰণৰ সভাসমূহৰ সময় আৰু স্থানসমূহ আৰু ধাৰা ৮ৰ উপধাৰা (১)ৰ অধীনত এনে সভাসমূহত থূল অন্তৰ্ভুক্ত কৰি ব্যৱসায়ৰ সংব্যৱহাৰৰ বাবে অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া ;

(খ) ধাৰা ১০ৰ উপধাৰা (২)ৰ অধীনত প্ৰাধিকৰণৰ দ্বাৰা নিয়োজিত হোৱা পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ সেৱাৰ চৰ্তাৱলী আৰু পাৰিতোষিত ;

(গ) উপধাৰা (১)ৰ অধীনত প্ৰাধিকৰণৰ সাধাৰণ মোহৰসহ মোহৰযুক্ত হোৱা সংবিদা আৰু যি প্ৰ-পত্ৰ আৰু ৰীতিত ধাৰা ১৮ৰ উপধাৰা (২)ৰ অধীনত প্ৰাধিকৰণৰ দ্বাৰা এটা সংবিদা কৰা হয় ;

(ঘ) ধাৰা ১৯ৰ উপধাৰা (১)ৰ অধীনত প্ৰাধিকৰণৰ দ্বাৰা আৰোপিত কৰিবলগীয়া মাচুল আৰু ভাড়া ;

(ঙ) হেৰুৱা সম্পত্তিৰ অভিৰক্ষা আৰু পুনঃ স্থাপন আৰু নিবন্ধন আৰু চৰ্তাৱলী যাৰ অধীনত হেৰুৱা সম্পত্তি ধাৰা ৩১ৰ অধীনত ইয়ালৈ হক্‌দাৰ হোৱা ব্যক্তিসমূহলৈ পুনঃস্থাপন হ'ব পাৰে।

*নিয়ম, বিনিয়ম আৰু অধিসূচনাসমূহ সংসদত উত্থাপিত হ'ব।*

৩৬। এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়ম আৰু প্ৰত্যেক বিনিয়ম বা জাৰী কৰা অধিসূচনা, ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত, যেতিয়া এই অধিবেশন মুঠ ত্ৰিশদিন কালৰ বাবে থাকে, যিটো এখন অধিবেশন বা দুখন বা ক্ৰমাগত অধিবেশনত ভুক্ত হ'ব পাৰে, উত্থাপিত কৰা হ'ব আৰু যদি সেই অধিবেশনৰ বা ঠিক পাচৰ অধিবেশনৰ অৱসানৰ পূৰ্বে উভয় সদনে সেই নিয়মৰ বিনিয়ম বা অধিসূচনা প্ৰণয়নত একমত হয়, যথাস্থিতি বা উভয় সদন একমত হয় যে নিয়ম বিনিয়ম যথা স্থিতি বা অধিসূচনা প্ৰণয়ন জাৰি কৰিবলৈ নালাগে, নিয়ম, বিনিয়ম, অধিসূচনা তেতিয়া তাৰ পিছত সেই পৰিৱৰ্তিত ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি প্ৰভাবহীন হ'ব ; সেই বাবে যিয়েই নহওঁক যিকোনো পৰিৱৰ্তন বা ৰদ্‌কৰণে সেই নিয়ম, বিনিয়ম বা অধিসূচনাৰ অধীনত পূৰ্বে কৰা হোৱা কোনো কথাৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব।

*জটিলতা দূৰীকৰণৰ ক্ষমতা।*

৩৭। (১) এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাৱী কৰোতে যদিহে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা জটিলতা দূৰীকৰণৰ বাবে আৱশ্যক বা সমীচীন বুলি ইয়াৰ প্ৰতীত হোৱাত এই অধিনিয়মৰ উপাবন্ধাৱলীৰ সৈতে অসংগত নোহোৱা এনে উপাবন্ধাৱলীৰ প্ৰণয়ন কৰিব পাৰে ঃ

পৰন্তু এই অদিনিয়মৰ প্ৰাৰম্ভৰ তাৰিখৰ পৰা দুই বছৰ এটা কালৰ অৱসানৰ পিছত এনে কোনো আদেশ প্ৰণয়ন কৰা নহ'ব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ, ইয়াক প্ৰণয়ন কৰাৰ পিছত যথা শীঘ্ৰে সংসদৰ প্ৰত্যেক সংসদত উত্থাপিত কৰা হ'ব।

## The Land Ports Authority of India Act, 2010
## (No. 31 of 2010)

## ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণ অধিনিয়ম, ২০১০
## (২০১০ৰ সংখ্যা ৩১)

### Glossary of Terms
### পৰিভাষা

| Section | English term | Assamese Equivalent |
|---|---|---|
| Long title | Imperative | আজ্ঞাওপন |
| 2(c) | Immigration | আপ্ৰবাস |
| 2 (e) | Clearance | যাত্ৰানুমতি |
| 11 (2) (a) | Integrated chickpost | একীকৃত পৰীক্ষণ চকী |
| 11 (2) (d) | Quarantine | সংসৰ্গ |
| 11 (2) (e) | Deployed | অভিনিযুক্ত |
| 11 (2) (g) | Processing | সংসাধন |
| 11 (2) (p) | Joint Venture | যুটীয়া নৱ প্ৰচেষ্টা |
| 11 (2) (p) | Assigned | সমনুদেশিত |
| 22 (1) | Transients Causes | ক্ষণস্থায়ীকৰণ |
| 22 (2) | Bad and Doubtful | অনাদেয় আৰু সন্দেহযুক্ত |
| 24 (3) | Overdraft | অধিকৰ্য |

ৰাষ্ট্ৰপতিয়ে ভাৰতৰ ভূমি বন্দৰ প্ৰাধিকৰণ অধিনিয়ম, ২০১০ (২০১০ৰ অধিনিয়ম সংখ্যা ৩১) ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

নতুন দিল্লী
তাৰিখঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Land ports Authority of India Act, 2010 (Act No. 31 of 2010) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

**G. NARAYANA RAJU,**
Secretary to the Govt. of India

New Delhi
Date :

*ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ০৫-১১-১৯*